**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 16 -06-2025**
**Time : 21-25 Hrs**

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰ জিলাৰ বেবেজীয়াৰ কুমাৰটুপত ২৬ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া অক্ষয় পাত্ৰ ফাউণ্ডেছনৰ কেন্দ্ৰীয় সামূহিক ৰান্ধনিঘৰৰ আধাৰশিলা স্থাপন কৰে। ১৬ বিঘাৰো অধিক ভূমি সামৰি এই ৰান্ধনিঘৰটো নিৰ্মাণ কৰা হ'ব। প্ৰধানমন্ত্ৰী পোষণ আঁচনিৰ অধীনত সমগ্ৰ শিক্ষা অভিযানৰ অংশ হিচাপে নিৰ্মাণ কৰিবলগীয়া এই ৰান্ধনীঘৰটো চলিত বছৰৰ ছেপ্তেম্বৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী শৰ্মাই আজিৰ দিনটো লখিমপুৰৰ শিক্ষা খণ্ডৰ বাবে এটা স্মৰণীয় মুহূৰ্ত বুলি অভিহিত কৰে। ৰাজ্য চৰকাৰ আৰু অক্ষয় পাত্ৰ ফাউণ্ডেছনৰ সহযোগত নিৰ্মাণ হ'বলগীয়া এই কেন্দ্ৰীয় সামূহিক ৰান্ধনিগৃহই জিলাখনৰ স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলক পুষ্টিকৰ আৰু সন্তোষজনক খাদ্য প্ৰদান সুনিশ্চিত কৰিব।

ড° শৰ্মাই আজি ৬৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ উত্তৰ লখিমপুৰ নগৰৰ পানীযোগান আঁচনি আৰু উত্তৰ লখিমপুৰ ইক' পাৰ্কৰ আধাৰশিলা স্থাপন কৰে। আজি দিনৰ ভাগত মুখ্যমন্ত্ৰীগৰাকীয়ে ৪ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা লখিমপুৰ জিলা পৰিষদৰ নতুন কাৰ্যালয় ভৱন উদ্বোধন কৰে।

০০০

অম্বুবাচী মহাযোগ সুকলমে অনুষ্ঠিত কৰাৰ বাবে কামৰূপ মহানগৰ জিলা আয়ুক্ত, আৰক্ষী আৰু কামাখ্যা মন্দিৰ কৰ্তৃপক্ষই আজি কামাখ্যা মন্দিৰৰ চৌহদত এখন যৌথ সংবাদমেল অনুষ্ঠিত কৰে। সংবাদমেলত আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তই অম্বুবাচী মহাযোগৰ সময়ছোৱাত কোনোধৰণৰ হুলস্থূল বা সমদল আদি কৰিবলৈ দিয়া নহ'ব বুলি প্ৰকাশ কৰে। মা কামাখ্যাৰ আৰাধনা তথা পৰম্পৰাত যাতে কোনো বাধাৰ সৃষ্টি নহয় তাৰ বাবে আৰক্ষী প্ৰশাসন সক্ষম হৈ থাকিব বুলি তেওঁ জানিবলৈ দিয়ে। নীলাচল পাহাৰৰ ভূমিস্খলনৰ প্ৰতি লক্ষ্য ৰাখি এই সময়ছোৱাত ভিৰ নিয়ন্ত্ৰণ কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সেই অনুসৰি মহাযোগৰ সময়ছোৱাত সকলো ভক্তই পুৱা ৫ বজাৰ পৰা সন্ধিয়া ৬ বজালৈহে নীলাচল পাহাৰলৈ যাব পাৰিব। সন্ধিয়া ৬ বজাৰ পাছত ভক্তসকলে মন্দিৰলৈ যাব নোৱাৰিব। একেদৰে পাণ্ডুৰ দিশৰ পৰা কামাখ্যা মন্দিৰলৈ যোৱা পথছোৱা সম্পূৰ্ণৰূপে বন্ধ থাকিব। বিশেষ জৰুৰীকালীন অৱস্থাতহে এই পথছোৱা ব্যৱহাৰ কৰা হ'ব বুলি আৰক্ষী আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। ২৬ আৰু ২৭ জুনত বিশেষ অথবা ভি আই পি দৰ্শনৰ সুবিধা নাথাকিব। উল্লেখযোগ্য যে অহা ২২ জুনৰ দুপৰীয়া ২ বাজি ৫৬ মিনিটত প্ৰবৃত্তিৰ লগে লগে তিনিদিনৰ বাবে মন্দিৰৰ দ্বাৰ বন্ধ কৰি দিয়া হ'ব। অহা ২৬ জুনৰ নিবৃত্তিৰ পাছতহে ভক্তৰ বাবে মন্দিৰৰ দ্বাৰ মুকলি কৰি দিয়া হ'ব।

০০০

বাল্য বিবাহ আৰু কম বয়সতে হোৱা গৰ্ভাৱস্থা ৰোধ কৰাৰ সন্দৰ্ভত দৰং জিলা স্বাস্থ্য বিভাগে বিশেষ সজাগতামূলক অভিযান আৰম্ভ কৰিছে। সেই অনুসৰি আজি জিলাখনৰ লতাখাট আয়ুষ্মান আৰোগ্য মন্দিৰৰ অন্তৰ্গত ৰংছা লতাখাট এম ই মাদ্ৰাছাত এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। সভাত বাল্য বিবাহ আৰু কম বয়সতে হোৱা গৰ্ভাৱস্থাৰ পৰা হব পৰা বিপদ বা স্বাস্থ্যৰ অৱনতি বিষয়ে অৱগত কৰা হয়। সভাত গাওঁপ্ৰধান আৰু পঞ্চায়ত প্ৰতিনিধিসকলে এইক্ষেত্ৰত স্বাস্থ্য বিভাগক সহযোগিতা আগবঢ়াব বুলি প্ৰতিশ্ৰুতি দিয়ে।

০০০

মণিপুৰত পুনৰ ৭ জন লোকৰ দেহত কোৰিডৰ সংক্ৰমন ধৰা পৰিছে। ৰাজ্যখনৰ বৰ্তমান সক্ৰিয় কোৰিড ৰোগীৰ সংখ্যা ১৯ লৈ বৃদ্ধি পাইছে। মণিপুৰৰ স্বাস্থ্য সেৱা সঞ্চালকালয়ে প্ৰকাশ কৰা মতে, আজি ১৬ জন লোকৰ কোৰিড পৰীক্ষা সম্পন্ন কৰা হয় আৰু ইয়াৰে ৭ জনৰ দেহত এই ৰোগৰ সংক্ৰমন ধৰা পৰে। ইয়াৰে ইম্ফল পশ্চিম জিলাৰ ৫ জন আৰু কাকচিং আৰু থ'বাল জিলাৰ এজনকৈ লোক আছে।

ইপিনে, ডিমাপুৰত আজি এজন লোকৰ দেহত কোৰিডৰ সংক্ৰমন ধৰা পৰে। কোহিমাৰ স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ সঞ্চালক ডাঃ মেৰেনিনলা চেনলেমে জনোৱা মতে, লোকজনৰ দেহত কোৰিডৰ কেতবোৰ লক্ষণ দেখা দিয়ে আৰু সম্প্ৰতি তেওঁক নিজ গৃহত আচুতিয়াকৈ ৰখা হৈছে। নাগালেণ্ড স্বাস্থ্য বিভাগে কোৰিডৰ এই নতুন প্ৰকাৰক লৈ জনসাধাৰণক ভীতিগ্ৰস্ত নহবলৈ আৰু প্ৰয়োজনীয় স্বাস্থ্য বিধি মানি চলিবলৈ আহ্বান জনাইছে।

০০০

বৃহৎ নদীবান্ধ নিৰ্মাণৰ বিৰোধিতা তথা অসমৰ বান আৰু গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ দাবীৰে আজি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ দৰং জিলা সমিতিয়ে জিলা পুথিভঁড়াল প্ৰাঙ্গনত ৩ ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰে। পৰিষদে নামনি সোঁৱনশিৰিকে ধৰি বৃহৎ নদীবান্ধসমূহে ৰাজ্যখনক নদীমাতৃক সভ্যতা সংস্কৃতি, জৈৱ বৈচিত্ৰ আৰু পৰিবেশতন্ত্ৰৰ প্ৰতি ভাবুকি নমাই অনাৰ আশংকা ব্যক্ত কৰে। জিলা সমিতিয়ে লগতে অসমৰ বান সমস্যাৰ ৰাষ্ট্ৰীয় সমস্যা হিচাপে গণ্য কৰাৰ বাবেও দাবী জনায়।

০০০

ৰাজ্য চৰকাৰৰ কৃষি বিভাগৰ আয়ুক্ত সচিব তথা কৃষি উৎপাদন আয়ুক্ত অৰুণা ৰোজৌৰিয়ে আজি ধেমাজীৰ মাছখোৱাৰ এটা জৈৱিক কৃষি উৎপাদন কোম্পানী পৰিদৰ্শন কৰে। আয়ুক্তগৰাকীয়ে কোম্পানীটোৰ দ্বাৰা উৎপাদিত ধান আৰু অন্যান্য খাদ্য সামগ্ৰীসমূহ পৰীক্ষা কৰাৰ লগতে কৃষকসকলৰ সৈতেও মত বিনিময় কৰে।

০০০

সমাপ্ত